**প্ৰেছ বাৰ্তা নং ঃ ৩৮০/২০২২**

# গুণোৎসৱ-২০২২ বঁটা প্ৰদান অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## গুণোৎসৱ শিক্ষাৰ মানদণ্ডৰ নিৰন্তৰ মূল্যায়নৰ মাধ্যম ঃ মুখ্যমন্ত্ৰী

## ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিযোগিতামূলক মানসিকতা সৃষ্টিৰ দিশত কাম কৰিবলৈ শিক্ষক সমাজক মুখ্যমন্ত্ৰীৰ আহ্বান

## একেৰাহে ২ বছৰ $A^+$ গ্ৰেড লাভ কৰা বিদ্যালয়ত কাম কৰা ঠিকাভিত্তিক শিক্ষকসকলক স্থায়ী নিযুক্তি দিয়া হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৫ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত গুণোৎসৱ-২০২২ বঁটা প্ৰদান অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে আয়োজন কৰা অনুষ্ঠানত গুণোৎসৱ-২০২২ ত $A^+$ গ্ৰেড লাভ কৰা ৪,৮৪১ খন বিদ্যালয়ক বঁটা প্ৰদান কৰে মুখ্যমন্ত্ৰীয়ে। উল্লেখ্য যে $A^+$ গ্ৰেড লাভ কৰা প্ৰতিখন বিদ্যালয়ক ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হয়।

প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ ৯৮ সংখ্যক জয়ন্তী উপলক্ষে মুখ্যমন্ত্ৰীয়ে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰক্ৰিয়াত তেওঁৰ অপৰিসীম অৱদানৰ কথা উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে মহান নেতাগৰাকীৰ জীৱন আৰু কৰ্মৰাজিৰ প্ৰতি উপযুক্ত সন্মান প্ৰদৰ্শনৰ বাবে প্ৰতিবছৰে সমগ্ৰ দেশতে ২৫ ডিচেম্বৰৰ দিনটো সুশাসন দিৱস হিচাপে পালন কৰাৰ সৈতে সম্পৰ্ক ৰাখি আজি গুণোৎসৱ-২০২২ বঁটা প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা সময়ত তেওঁ সৰ্বশিক্ষা অভিযান আৰম্ভ কৰিছিল। সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ মাজত গুণগত শিক্ষা প্ৰসাৰৰ দিশত বাজপেয়ীয়ে গুৰুত্ব প্ৰদান কৰিছিল বুলি মুখ্যমন্ত্ৰীয়ে কয়।

লিখিত পৰীক্ষা পৰম্পৰাগত ব্যৱস্থাতকৈ বিদ্যালয়ৰ শিক্ষাৰ মানদণ্ড জোখাৰ বিকল্প হিচাপে গুণোৎসৱ আয়োজনৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ইয়াক নিৰন্তৰ মূল্যায়নৰ প্ৰক্ৰিয়া বুলি অভিহিত কৰে। ইয়াৰ জৰিয়তে অংশীদাৰীসকলক শক্তিশালী তথা দুৰ্বল দিশসমূহৰ ওপৰতো মনোনিৱেশ কৰিবলৈ সুযোগ প্ৰদান কৰে। অসমৰ শৈক্ষিক পৰিৱেশৰ পৰিৱৰ্তন সাধনৰে ৰাজ্যখনক অধিক আগুৱাই নিয়াৰ বাবে তেওঁ গুণোৎসৱক এক মাধ্যম বুলি অভিহিত কৰে।

শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষা বিভাগৰ সৈতে জড়িত সকলোকে এক নিৰ্দিষ্ট পৰিসৰৰ পৰা ওলাই আহিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে অসমক সকলো দিশতে অন্যতম প্ৰগতিশীল ৰাজ্যলৈ ৰূপান্তৰ কৰাৰ লক্ষ্যত উপনীত হ'ব লাগিলে শিক্ষাক অধিক বিকশাই তুলিব লাগিব।

মুখ্যমন্ত্ৰীয়ে কয় যে গুণোৎসৱ বঁটা প্ৰদানৰ জৰিয়তে শিক্ষক-শিক্ষয়িত্ৰী আৰু বিদ্যালয় কৰ্মচাৰীসকলে ৰাষ্ট্ৰ নিৰ্মাণ প্ৰক্ৰিয়াৰ প্ৰতি আগবঢ়োৱা অৱদানৰ স্বীকৃতি প্ৰদান কৰা হৈছে। তেওঁ আশা প্ৰকাশ কৰি কয় যে শিক্ষকসকলে উৎকৰ্ষিত মনোভাৱেৰে নিজৰ চৰকাৰী দায়িত্ব আৰু কৰ্তব্য নিষ্ঠাৰে পালন কৰিলে বহু সংখ্যক ছাত্ৰ-ছাত্ৰী জীৱনৰ লক্ষ্যত উপনীত হোৱাত সহায়ক হৈ উঠিব। মুখ্যমন্ত্ৰীয়ে শিক্ষকসকলক তেওঁলোকৰ শিক্ষানুষ্ঠানসমূহত প্ৰতিযোগিতামূলক পৰিৱেশ গঢ়ি তোলাৰ দিশত কাম কৰিবলৈ আহ্বান জনাই যাতে ৰাজ্যখনৰ পৰা অধিক সংখ্যক শিক্ষাৰ্থীয়ে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, ইণ্ডিয়ান ইনষ্টিটিউট অৱ মেনেজমেণ্ট, সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান আদি শীৰ্ষ অনুষ্ঠানসমূহত আসন লাভ কৰিবলৈ সক্ষম হয়। আগন্তুক দিনত কৃত্ৰিম বুদ্ধিমত্তা, বৰ্দ্ধিত বাস্তৱতা, মিশ্ৰিত বাস্তৱতা আদিৰ দৰে শেহতীয়া প্ৰযুক্তিৰ ব্যাপক ব্যৱহাৰ কৰিব পৰাকৈ শিক্ষা প্ৰদানৰ প্ৰক্ৰিয়াটো ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এক আকৰ্ষণীয় অভিজ্ঞতা হিচাপে গঢ়ি তুলিবলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক অধিক উদ্যম আৰু নিষ্ঠাৰে কাম কৰিবলৈ প্ৰেৰণা যোগোৱাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰীয়ে কেইবাটাও ঘোষণাও কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে অহা বছৰৰ পৰা আৰম্ভ কৰি যি সকল বিদ্যালয়ে একেৰাহে ২ বছৰৰ বাবে গুণোৎসৱত A+ গ্ৰেড লাভ কৰিব সেইসমূহ শিক্ষানুষ্ঠানক ৫০ হাজাৰ টকাকৈ অনুদান আগবঢ়োৱা হ'ব। তেওঁ লগতে কয় যে এই বিদ্যালয়সমূহত অনুমোদিত শিক্ষকৰ উপৰি এজনকৈ অতিৰিক্তভাৱে শিক্ষক নিয়োগ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে এই বিদ্যালয়সমূহত ঠিকাভিত্তিকভাৱে কাম কৰা শিক্ষকসকলক স্থায়ী নিযুক্তি প্ৰদান কৰা হ'ব।

আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে বিদ্যালয়, কৰ্মীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীৰ ওপৰত ৩৬০ ডিগ্ৰী তথ্যৰ এক অনন্য সামগ্ৰিক ডিজেটেল প্লেটফৰ্ম 'বিদ্যা সেতু অসম' আৰু 'এনালাইটিক্স পাৱাৰ্ড ই শ্ৰেণী কোঠা প্ৰকল্প (টেলি শিক্ষা)' নামৰ দুটা প্ৰযুক্তি সমৰ্থিত ৱেব এপ্লিকেশ্যন মুকলি কৰে।

আজিৰ এই অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, অসম কেবিনেটৰ জ্যেষ্ঠ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, যোগেন মহন, নন্দিতা গাৰ্লোচা, পৰিমল শুক্লবৈদ্য, অতুল বৰা, চন্দ্ৰমোহন পাটোৱাৰী, অজন্তা নেওগ, পীযুষ হাজৰীকা, জয়ন্ত মল্লবৰুৱা, সঞ্জয় কিষাণ, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, অসম চৰকাৰৰ শিক্ষা উপদেষ্টা ড° ননী গোপাল মহন্ত আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**অঃহাঃ/ পুঃডেঃ**
**২৫/১২/২০২২**